*ৰা.না.প, অসম/প্ৰচাৰ পত্ৰিকা/প্ৰাৰম্ভিক - ১/২০১৫*

# আপোনাৰ সপোন এতিয়া বাস্তবায়িত হোৱাৰ সময় ...

## আহক ! অসমৰ ইতিহাসৰ এক নতুন অধ্যায় ৰচনা কৰোঁ ...

প্ৰিয় নাগৰিক,

আপুনি জানিবলৈ পাই অতিশয় আপ্লুত আৰু আশ্বস্ত হ'ব যে অসম চুক্তি, ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ২০০৩ চনৰ নাগৰিকত্ব বিধিৰ আধাৰত আৰু দেশৰ উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তদাৰকী ও তত্বাৱধানত চৰকাৰে কেৱল ভাৰতীয় নাগৰিকৰ নাম ও তথ্য অন্তৰ্ভূক্তিৰে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অদ্যাৱধিকৰণৰ কাম ৰূপায়ণ কৰিবলৈ লৈছে। অদ্যাৱধিকৰণ কৰিবলৈ লোৱা নাগৰিক পঞ্জীত কোনো বিদেশীৰ নাম অন্তৰ্ভূক্ত হ'ব নোৱাৰিব। ইতিমধ্যে, নাগৰিক পঞ্জী অদ্যাৱধিকৰণৰ প্ৰাৰম্ভিক কামৰ শুভাৰম্ভ হৈ গৈছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অদ্যাৱধিকৰণৰ জৰিয়তে কেইবাদশক জোৰা অবৈধ অনুপ্ৰবেশকাৰীৰ প্ৰব্ৰজনৰ সমস্যাৰে জৰ্জৰিত ৰাজ্যখনত সমস্যাটোৰ স্থায়ী সমাধানৰ দিশত এক ঐতিহাসিক যাত্ৰা আৰম্ভ হৈছে যাৰ অন্তত ৰাজ্যবাসীৰ দীৰ্ঘদিনীয়া এটা সপোন বাস্তবায়িত হ'ব।

আপোনাৰ সুবিধাৰ্থে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অদ্যাৱধিকৰণ প্ৰক্ৰিয়াৰ কাম চলি থকাৰ সময়ত আপোনাৰ মনত অৱতাৰণা হ'ব পৰা কেইটামান সাধাৰণ প্ৰশ্নৰ সমিধান তলত দিবলৈ প্ৰয়াস কৰা হৈছে।



### ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী মানে কি ?

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী মানে এখন পঞ্জী (Register) য'ত দেশৰ নাগৰিকৰ সবিশেষ তথ্য সন্নিবিষ্ট কৰি ৰখা হয়। ১৯৫১ চনৰ লোকপিয়লৰ কাম শেষ হোৱাৰ পিছত সেই লোকপিয়ল গণনাত অন্তৰ্ভূক্ত হোৱা সকলো ব্যক্তিৰ সবিশেষ তথ্য সন্নিবিষ্ট কৰি অসমৰ প্ৰথমখন ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰা হৈছিল।

### ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ অদ্যাৱধিকৰণ কেনেকৈ কৰা হ'ব ?

নাগৰিক পঞ্জীৰ অদ্যাৱধিকৰণ ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ আৰু ২০০৩ চনৰ নাগৰিকত্ব বিধিৰ ব্যৱস্থাৱলীৰ আধাৰত কৰা হ'ব। ওপৰোক্ত দুয়োখন আইনৰ নিৰ্দেশনা অনুযায়ী নাগৰিকত্ব নিৰূপনৰ বিষয়টো ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) আগৰ ভোটাৰ তালিকাক ভিত্তি কৰি নিষ্পত্তি কৰা হ'ব। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বা ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) আগৰ ভোটাৰ তালিকা উপলব্ধ নহ'লে তলত উল্লেখ কৰা ১৯৭১ চনৰ আগৰ সময়ৰ নথিৰ ওপৰত ভিত্তি কৰি নাগৰিকত্ব অৰ্জনৰ বিষয়টো বিবেচিত হ'ব।

**(১) ভূমিস্বত্বৰ /ৰায়তীস্বত্বৰ নথি-পত্ৰ**

**(২) নাগৰিকত্বৰ প্ৰমাণপত্ৰ**

**(৩) স্থায়ী বাসীন্দাৰ প্ৰমাণপত্ৰ**

**(৪) শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ**

**(৫) পাৰপত্ৰ (পাছপোৰ্ট)**

**(৬) ভাৰতীয় জীৱন বীমা নিগমৰ বীমা পলিচি**

**(৭) চৰকাৰৰ দ্বাৰা প্ৰদত্ত অনুজ্ঞাপত্ৰ / প্ৰমাণপত্ৰ**

**(৮) চৰকাৰী /ৰাজহুৱা খণ্ডৰ নিযুক্তি সম্পৰ্কীয় প্ৰমাণপত্ৰ**

**(৯) বেংক /ডাকঘৰৰ হিচাপৰ নথিপত্ৰ**

**(১০) জন্মৰ প্ৰমাণপত্ৰ**

**(১১) বোৰ্ড /বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ**

**(১২) আদালতৰ নথি /আদালতৰ প্ৰক্ৰিয়াজনিত নথি**

**(১৩) বিবাহ সূত্ৰে আন গাঁৱলৈ স্থানান্তৰিত মহিলাৰ সন্দৰ্ভত গ্ৰাম্যাঞ্চলত গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা প্ৰদত্ত আৰু স্থানীয় ৰাজহ বিষয়াৰ দ্বাৰা প্ৰতি-স্বাক্ষৰিত প্ৰমাণপত্ৰ আৰু চহৰাঞ্চলত কৰ্তৃত্বশীল ৰাজহ চক্ৰ বিষয়াৰ দ্বাৰা প্ৰদত্ত এনে প্ৰমাণপত্ৰ। এনেবোৰ প্ৰমাণপত্ৰ কেৱল সমৰ্থনমূলক নথি (Supporting Document) ৰূপেহে গণ্য হ'ব।**

**(১৪) ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) বা তাৰ আগতে কৰ্তৃত্বশীল কৰ্তৃপক্ষই চহী, চীল মোহৰ মাৰি প্ৰদান কৰা ৰেচন কাৰ্ড। অৱশ্যে ৰেচন কাৰ্ডো সমৰ্থনমূলক নথিৰূপেহে (Supporting Document) বিবেচিত হ'ব।**

অদ্যাৱধিকৰণ কৰিবলগীয়া ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অসমৰ খিলঞ্জীয়া বাসীন্দাৰূপে নাগৰিকত্ব লাভৰ অৰ্হতা থকা সকলো লোকৰ নাম অন্তৰ্ভূক্ত হ'ব।

### থোৰতে, নাগৰিক পঞ্জী অদ্যাৱধিকৰণ প্ৰক্ৰিয়াটোৰ বিষয়ে তলত উল্লেখ কৰা হ'ল -

- **১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) আগৰ ভোটাৰ তালিকাসমূহ ৰাজহুৱা প্ৰদৰ্শনৰ বাবে প্ৰকাশ কৰা যাতে নাগৰিকসকলে সেই নথিসমূহত নিজৰ/ উপৰিপুৰুষৰ নাম থকা বা নথকা সম্পৰ্কে স্বয়ং পৰীক্ষা কৰিব পাৰে আৰু প্ৰয়োজনীয় যোগসূত্ৰমূলক (Linkage) নথিৰ সন্ধান কৰিব পাৰে (ফেব্ৰুৱাৰী ২০১৫)।**
- **প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ আবেদন প্ৰ-পত্ৰ বিতৰণ কৰা (মাৰ্চ-এপ্ৰিল, ২০১৫)।**
- **নাগৰিকসকলে আৱশ্যকীয়/সমৰ্থনমূলক (Supporting) নথি-পত্ৰ সংলগ্ন কৰি আৰু শুদ্ধকৈ সকলো দফাৰ তথ্য সম্পূৰ্ণকৈ পূৰণ কৰি দাখিল কৰা আবেদন প্ৰ-পত্ৰসমূহ বিশেষ উদ্দেশ্যেৰে স্থাপিত স্থানীয় এন আৰ চি সেৱা কেন্দ্ৰ (NSK)ত প্ৰাপ্তিৰ (Receiving) ব্যৱস্থা কৰা (মাৰ্চ-জুলাই, ২০১৫)।**
- **এই উদ্দেশ্যে সমগ্ৰ ৰাজ্যখনত এনেকুৱা প্ৰায় ২৫০০ (দুহাজাৰ পাঁচশ) এন আৰ চি সেৱা কেন্দ্ৰ (NSK) স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে।**
- **পৰীক্ষণকাৰী দলৰ দ্বাৰা আবেদনকাৰীৰ নাগৰিকত্ব পৰীক্ষণৰ ব্যৱস্থা কৰা (জুন-চেপ্তেম্বৰ, ২০১৫)।**
- **অদ্যাৱধিকৰণৰ বাবে প্ৰস্তুতকৃত নাগৰিক পঞ্জীৰ খছৰা প্ৰকাশ কৰা (Publication of Draft NRC) (অক্টোবৰ-নবেম্বৰ, ২০১৫)।**
- **খছৰা নাগৰিক পঞ্জীৰ সন্দৰ্ভত নাগৰিকে দাখিল কৰা দাবী আৰু আপত্তিসমূহৰ প্ৰাপ্তি আৰু নিষ্পত্তি কৰা (অক্টোবৰ-নবেম্বৰ, ২০১৫)।**
- **চূড়ান্ত নাগৰিক পঞ্জী প্ৰকাশ কৰা (জানুৱাৰী, ২০১৬)।**

অদ্যাৱধিকৰণ কৰিবলগীয়া নাগৰিক পঞ্জীত নাম অন্তৰ্ভূক্ত কৰাৰ বাবে আবেদন প্ৰ-পত্ৰ দাখিল কৰিবলৈ অনতিপলমে নাগৰিকক আহ্বান জনোৱা হ'ব।

### মই মোৰ নাম নাগৰিক পঞ্জীত কিয় অন্তৰ্ভূক্ত কৰিব লাগে ?

নাগৰিক পঞ্জী প্ৰস্তুত হোৱাৰ পিছত ভাৰতীয় নাগৰিকত্বৰ স্থিতিৰ সম্পৰ্কত ই এখন গুৰুত্বপূৰ্ণ বৈধ চৰকাৰী নথি হ'ব। তাৰোপৰি, অসমত বাংলাদেশৰ পৰা হোৱা অবৈধ অনুপ্ৰবেশকাৰীৰ জ্বলন্ত সমস্যাটো আছে। অবৈধভাৱে অনুপ্ৰবেশ কৰা বিদেশী লোকক চিনাক্ত কৰাৰ প্ৰয়োজন। সেয়েহে, ভাৰতীয় নাগৰিকৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভূক্ত হোৱাটো অপৰিহাৰ্য্য।

**মই মোৰ নাম কেনেকৈ অন্তৰ্ভূক্ত কৰিব পাৰিম ? আৰু আবেদন প্ৰ-পত্ৰখন পূৰাবলৈ কাৰোবাৰ পৰা কিবা সহায় পাম নেকি ?**

চৰকাৰে আবেদন প্ৰ-পত্ৰ দাখিল কৰিবলৈ জাননী জাৰি কৰাৰ লগে লগে আপুনি আপোনাৰ ওচৰৰ স্থানীয় এন আৰ চি সেৱা কেন্দ্ৰত (NSK)ত আপোনাৰ নাগৰিকত্ব সম্পৰ্কীয় প্ৰামাণ্য নথি-পত্ৰ সংলগ্ন কৰি আবেদন প্ৰ-পত্ৰখন দাখিল কৰিব। নাগৰিকসকলক আবেদন প্ৰ-পত্ৰ পূৰণ কৰাৰ কামত সহযোগী আৰু সমৰ্থনমূলক নথি-পত্ৰ আহৰণৰ ক্ষেত্ৰত সহায় কৰাৰ উদ্দেশ্যে গাঁওসমূহত সজাগতা সৃষ্টিৰ কাৰ্য্যসূচী, যেনে - গাওঁসভা, দলীয় আলোচনা অনুষ্ঠিত কৰা হ'ব। আবেদন প্ৰ-পত্ৰ কেনেকৈ পূৰাব লাগে সেই সম্পৰ্কীয় লিখিত নিৰ্দ্দেশাৱলী আবেদন প্ৰ-পত্ৰৰ সৈতে একেলগে বিতৰণ কৰা হ'ব। নাগৰিকসকলে চৰকাৰৰ বিনামূলীয়া ১৫১০৭ (Toll Free Helpline No. - 15107) ফোন নম্বৰলৈ ফোন কৰিলে অথবা স্থানীয় এন আৰ চি সেৱা কেন্দ্ৰলৈ গ'লে নাইবা চাৰকাৰৰ ৱেবচাইট - nrcassam.nic.in ৰ মাধ্যমেৰে প্ৰয়োজনীয় সহায় লাভ কৰিব পাৰিব।

**এই সন্দৰ্ভত জনোৱা হ'ল যে,**

- আবেদন প্ৰ-পত্ৰ প্ৰত্যেকটো পৰিয়ালৰ ঘৰে ঘৰে বিতৰণ কৰা হ'ব।
- আবেদন প্ৰ-পত্ৰ এন আৰ চি সেৱা কেন্দ্ৰ (NSK)তো পোৱা যাব আৰু এন আৰ চি ৱেবচাইটৰ পৰা ডাউনলোড (Download) কৰিব পাৰিব।
- খালী (Blank) আবেদন প্ৰ-পত্ৰৰ পৰা কৰা ফটোকপিও ব্যৱহাৰ কৰিব পাৰিব।
- আবেদন প্ৰ-পত্ৰ 'অনলাইন' (Online) যোগেদিও দাখিল কৰিব পাৰিব।

**নাগৰিক পঞ্জীত মোৰ নাম অন্তৰ্ভূক্তিৰ সময়ত মই সমস্যাৰ সন্মুখীন হ'ম নেকি ? নথি-পত্ৰবোৰ গোটোৱাৰ কামটো জটিল হ'ব নেকি ?**

ভাৰতীয় নাগৰিকৰ বাবে নাগৰিক পঞ্জীত নাম অন্তৰ্ভূক্তি কোনো সমস্যাৰ কথা হ'ব নোৱাৰে। কেৱল নাগৰিকসকলে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাইবা চৰকাৰৰ দ্বাৰা প্ৰকাশিত প্ৰাক-১৯৭১ চনৰ (২৪ মাৰ্চৰ মাজনিশা পৰ্য্যন্ত) ভোটাৰ তালিকাত থকা তেখেতসকলৰ উপৰিপুৰুষৰ নাম আৰু পৰিচায়ক নম্বৰ (Legacy Data Code)ৰ তথ্য-পাতি যোগসূত্ৰমূলক (Linkage) তথ্য হিচাপে সংগ্ৰহ কৰাটো অপৰিহাৰ্য্য।

যদিহে এনে যোগসূত্ৰমূলক তথ্য নাই, তেন্তে, ওপৰত উল্লেখ কৰা ১২ টা নথিৰ ভিতৰত যিকোনো এটা সংগ্ৰহ/দাখিল কৰিব লাগিব। ইতিমধ্যে নাগৰিকত্ব অৰ্জনৰ বাবে অনুমোদিত তালিকাভূক্ত নথিসমূহ নাগৰিকসকলে বিচাৰিলেই পাব পৰাৰ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ চৰকাৰে সংশ্লিষ্ট সকলো বিভাগলৈ নিৰ্দেশনা জাৰি কৰিছে।

**১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অথবা প্ৰাক-১৯৭১ চনৰ (২৪ মাৰ্চৰ মাজনিশা পৰ্য্যন্ত) ভোটাৰ তালিকাত নাম থকা উপৰিপুৰুষৰ লগত মই যোগসূত্ৰ স্থাপনমূলক নথি দাখিল কৰিব লাগিব নেকি ? মোৰ কাৰণে আৰু কি কি নথি-পত্ৰৰ আৱশ্যক হ'ব ?**

সিপিঠিত উল্লেখিত যিকোনো এটা সাক্ষ্য নথিৰ ভিত্তিত ১৯৭১ চনৰ আগতে আপোনাৰ উপৰিপুৰুষৰ অসমত থকা বাসস্থানৰ তথ্য নিশ্চিত হ'লে তাৰ পিছত আপুনি কেৱল যোগসূত্ৰ (Linkage) স্থাপনসূচক আৰু আপোনাৰ পৰিচয়সূচক (proof of Identity) নথিপত্ৰ দাখিল কৰিব লাগিব (যদি সিপিঠিত উল্লেখিত নথিত নথিভুক্ত নাম আপোনাৰ নহৈ আপোনাৰ উপৰিপুৰুষৰ নাম নথিভুক্ত হৈ থাকে।)। যোগসূত্ৰ স্থাপন আৰু পৰিচয় নিশ্চিতকৰণৰ বাবে চৰকাৰৰ দ্বাৰা প্ৰদত্ত কোনো গ্ৰহণযোগ্য নথিপত্ৰ দাখিল কৰাৰ আৱশ্যক হ'ব।

**১৯৭১ চনৰ পিছত মোৰ পৰিয়ালে বাসস্থান স্থানান্তৰ কৰাত ১৯৭১ চনৰ আগৰ ঠাইত নাই, এই সন্দৰ্ভত মোৰ উপৰিপুৰুষৰ নাম সন্নিবিষ্ট ১৯৭১ চনৰ আগৰ ভোটাৰ তালিকা আৰু ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰামাণ্য নথি কেনেকৈ পাম ?**

স্থানীয় এন আৰ চি সেৱা কেন্দ্ৰ (NSK)ত কেৱল আপুনি বসবাস কৰা এলেকাৰে নহয়, বৰঞ্চ সমগ্ৰ ৰাজ্যখনৰে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজৰাতি) আগৰ ভোটাৰ তালিকা সমূহৰ তথ্য মজুত থাকিব। আপুনি আপোনাৰ এলেকাৰ এন আৰ চি সেৱা কেন্দ্ৰতে সকলোবোৰ তথ্য পাব। চৰকাৰৰ ৱেবচাইটৰ পৰাও 'ডাউনলোড' কৰি এনে ধৰণৰ তথ্যবোৰ পোৱাৰ সুবিধা আছে।

**১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বা ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা ) আগৰ ভোটাৰ তালিকাসমূহৰ তথ্য কিমান শুদ্ধ ? যদি মোৰ বা মোৰ উপৰিপুৰুষৰ নাম, বয়স ভুলকৈ লিপিবদ্ধ হৈ আছে, তেতিয়াহ'লে কি হ'ব ?**

এই নথিসমূহৰ তথ্য মূল নথিত যেনেকৈ আছিল সেই দৰেই উপলব্ধ কৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা কৰা হৈছে। নাম/বয়সৰ ক্ষেত্ৰত মূল নথিত থকা ভুলৰ বাবে কিছু অসুবিধাৰ সৃষ্টি হ'ব পাৰে যদিও অতিৰিক্ত প্ৰামাণ্য নথিৰ সহায় লৈ নাইবা ক্ষেত্ৰ পৰিদৰ্শন/পৰীক্ষণৰ সময়ত চৰকাৰী বিষয়াৰ দ্বাৰা তথ্যৰ সত্যাসত্যতা সম্পৰ্কে লিখিত সাক্ষ্য প্ৰমাণ লৈ এনেবোৰ অসুবিধা দূৰ কৰা হ'ব।

**নাগৰিক পঞ্জীত বিদেশীৰ নাম যে অন্তৰ্ভূক্ত নহ'ব সেই সম্পৰ্কে মই কেনেকৈ নিশ্চিত হ'ম ?**

এনে কোনো সম্ভাৱনাৰ স্থল নাই। কিয়নো, নাগৰিক পঞ্জী আদ্যাৱধিকৰণৰ ক্ষেত্ৰত 'লিগেচি ডাটা' (১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) আগৰ ভোটাৰ তালিকা)ত নাম থকা পূৰ্ব্বজৰ লগত অস্তিত্বহীন যোগসূত্ৰ স্থাপনৰ যিকোনো অপচেষ্টা শেহতীয়া অত্যাধুনিক তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ সহায়ত কম্পিউটাৰসম্ভুত পদ্ধতি প্ৰয়োগ কৰি প্ৰতিহত কৰাৰ ব্যৱস্থা কৰা হৈছে। দাখিল কৰা সকলোবোৰ মূল সাক্ষ্য-নথিৰ ছায়াচিত্ৰ (Scanned Copy) এটা কেন্দ্ৰীয় তথ্য-ভঁড়াল (Centralized Data-Base)ত মজুত কৰি ৰখা হ'ব আৰু এনেবোৰ সাক্ষ্য-নথি চক্ৰ/জিলা/ৰাজ্যিক পৰ্য্যায়ত জ্যেষ্ঠ বিষয়াৰ দ্বাৰা লগে লগে পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হ'ব।

তাৰোপৰি, আবেদনকাৰীসকলে দাখিল কৰা নথি-পত্ৰসমূহৰ নিশ্চিদ্ৰ পৰীক্ষণ সুনিশ্চিত কৰা হ'ব। তথ্য ভঁৰালত মজুত ৰখা সাক্ষ্য নথিৰ লগত ৰিজাই চাই দাখিল কৰা নথি-পত্ৰসমূহ সঁচা নে ভুৱা তাৰ সত্যাসত্যতা নিৰূপণ কৰা হ'ব। খছৰা নাগৰিক পঞ্জীত অবৈধ অনুপ্ৰবেশকাৰীৰ নাম অন্তৰ্ভূক্তি হোৱা বুলি যথোপযুক্ত সন্দেহ উপজিলে যিকোনো নাগৰিকে এনে অন্তৰ্ভূক্তিৰ বিৰুদ্ধে আপত্তি দৰ্শোৱাৰ অধিকাৰ আছে।

**নাগৰিক পঞ্জীত কোনো ভাৰতীয় নাগৰিকৰ নাম বাদ পৰাৰ আশংকা আছে নেকি ?**

নাগৰিক পঞ্জীত নিজৰ নাম অন্তৰ্ভূক্তিৰ বাবে সকলো যোগ্য নাগৰিকে বিধিবৎ বাধ্যতামূলকভাৱে আৱেদন জনাব লাগিব। এই ক্ষেত্ৰত কোনো যোগ্য নাগৰিকে হাত সাবটি বহি থাকিব নোৱাৰে। অৱশ্যে, কোনো যোগ্য নাগৰিকে খছৰা নাগৰিক পঞ্জী প্ৰকাশৰ পৰ্য্যায়ত কিবা এৰাব নোৱাৰা কাৰণত আবেদন জনাব নোৱাৰিলে চূড়ান্ত নাগৰিক পঞ্জী প্ৰকাশৰ আগতে দাবী (Claim) আবেদন দাখিল কৰি নাম অন্তৰ্ভূক্ত কৰিব পাৰিব।

**সাক্ষ্য, প্ৰামাণ্য-নথি গোটাবলৈ আপুনি কিমান সময় পাব ? সময়সূচী সম্পৰ্কে জানেনে ?**

'লিগেচি ডাটা' অৰ্থাৎ - ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগৰ ভোটাৰ তালিকাসমূহ প্ৰকাশৰ কাম ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হ'ব। আবেদন প্ৰ-পত্ৰ ঘৰে ঘৰে বিতৰণ কৰাৰ কাম ২০১৫ চনৰ মাৰ্চ মাহৰ পৰা ২০১৫ চনৰ এপ্ৰিল মাহলৈ চলি থাকিব। আবেদন প্ৰ-পত্ৰ প্ৰাপ্তিৰ কাম ২০১৫ চনৰ মাৰ্চৰ পৰা ২০১৫ চনৰ জুলাই মাহলৈ চলিব। গতিকে প্ৰাথমিক নথিবোৰ এই সময়ৰ ভিতৰত সংগ্ৰহ কৰিব পাৰিব। ২০১৫ চনৰ জুনৰ পৰা চেপ্তেম্বৰ মাহলৈ নথি পৰীক্ষা আৰু আবেদনকাৰীৰ পৰিচয় চিনাক্তকৰণৰ বাবে আপোনাৰ এলেকালৈ পৰীক্ষণকাৰীৰ দল গৈ ক্ষেত্ৰ পৰীক্ষণৰ কাম সম্পন্ন কৰিব। এই সময়ৰ ভিতৰতে পূৰ্ব্বজৰ লগত থকা আপোনাৰ যোগসূত্ৰৰ আৰু আপোনাৰ পৰিচয় চিনাক্তকৰণৰ প্ৰামাণ্য নথি সংগ্ৰহ/দাখিল কৰাৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু শেষ মূহুৰ্তৰ ভিৰ পৰিহাৰ কৰাৰ বাবে আৰু নাগৰিক পঞ্জীত নাম অন্তৰ্ভূক্তিৰ সুযোগ নেহেৰুৱাবলৈ যিমান পাৰি সোনকালে নথি-পত্ৰ সংগ্ৰহ কৰা বাঞ্ছনীয়।

**নাগৰিক পঞ্জী আদ্যাৱধিকৰণ প্ৰক্ৰিয়াত আপোনাৰ ভূমিকা কি হ'ব ?**

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আদ্যাৱধিকৰণ প্ৰক্ৰিয়াৰ সফল ৰূপায়ণ ইতিহাসৰ এক গৌৰৱোজ্জ্বল অধ্যায়ৰূপে পৰিগণিত হ'ব। আপোনাৰ সহযোগ আৰু সক্ৰিয় অংশগ্ৰহণ অবিহনে এই কাম সম্পন্ন কৰাটো সম্ভৱপৰ নহয়। সেয়েহে, আপোনাৰ নাগৰিকত্ব লাভৰ বাবে প্ৰয়োজনীয় সকলো নথি-পত্ৰ আগতীয়াকৈ সংগ্ৰহ কৰি থওক। আপোনাৰ এলেকাৰ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কৰ কাৰ্য্যালয়ত (এন আৰ চি সেৱা কেন্দ্ৰত) সকলো নথি-পত্ৰসহ আবেদন প্ৰ-পত্ৰ সময়মতে দাখিল কৰাটো নিশ্চিত কৰক।

'অনলাইন' (Online) যোগেদিও আপুনি আবেদন প্ৰ-পত্ৰ দাখিল কৰিব পাৰিব। নাগৰিক পঞ্জী প্ৰস্তুতিকৰণ প্ৰক্ৰিয়াত বিৰোধী শক্তি বা ন্যস্তস্বাৰ্থ মহলে ব্যাঘাত জন্মাবলৈ অপচেষ্টা কৰিব পাৰে বা অপপ্ৰচাৰত লিপ্ত হ'ব পাৰে।

আপুনি এনে অপপ্ৰচাৰ সন্দৰ্ভত সজাগ হ'ব লাগিব আৰু অপপ্ৰচাৰকৰ বিৰুদ্ধে আপোনাৰ এলেকাৰ অসামৰিক/আৰক্ষী প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব। এই কাম আপুনি আমি আগবঢ়োৱা বিনামূলীয়া (Toll Free) ১৫১০৭ (15107) নম্বৰৰ টেলিফোন সেৱা গ্ৰহণ কৰি অথবা আমাৰ ৱেবচাইটৰ (nrcassam.nic.in) সেৱাৰ মাধ্যমেৰে সম্পন্ন কৰিব পাৰিব।

***আহক, আমি ঐক্যবদ্ধভাৱে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ হিতৰ বাবে নাগৰিক পঞ্জী আদ্যাৱধিকৰণৰ এই অভিযানক এক চমকপ্ৰদ সাফল্যৰ কীৰ্ত্তিমন্ত কাহিনীলৈ ৰূপান্তৰিত কৰোঁহক।***

**আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৫১০৭ (15107)**

**আমাৰ ৱেবছাইট nrcassam.nic.in**

*জনহিতাৰ্থে নাগৰিক পঞ্জীয়নৰ ৰাজ্যিক সমন্বয়কৰ দ্বাৰা প্ৰচাৰিত।*